# পৌলৰ দৰে নতুন ৰখীয়াক শিকোৱা

**যীচু আৰু পাঁচনিবিলাকৰ দৰে পৰিচৰ্য্যা কৰিবলৈ নতুন চলাওঁতা বিলাকক প্ৰশিক্ষণ দিয়ক।**

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন E2b পঢ়া উচিত।

**প্ৰাৰ্থনাঃ** হে ঈশ্বৰ, আপোনাৰ বাক্য প্ৰচাৰ কৰিবলৈ আৰু পৌলৰ দৰে চলাওঁতাবিলাকক প্ৰশিক্ষণ দিবলৈ আমাক সহায় কৰক।



**শুনক**! শিকাওঁতাজনে প্ৰথমে তেওঁৰ মণ্ডলীৰ সমাজৰ কি প্ৰয়োজনীয়তা আছে তাক জানিবলৈ তেওঁবিলাকৰ বাক্য শুনে। তাৰ পিছত মথি ১৩:৫২ পদত কোৱাৰ দৰে যি গৃহস্থে নিজৰ ভৰালৰ পৰা ন আৰু পুৰণি দ্ৰব্য উলিয়ায়, তেওঁৰ নিচিনা স্বৰ্গৰাজ্যৰ শিষ্য হোৱা প্ৰতিজন অধ্যাপক।

১। **ঈশ্বৰৰ বাক্যেৰে আপোনাৰ অন্তৰ আৰু মন প্ৰস্তুত কৰক।**

**তীত ১:৫** পদত চাওঁক, ক্ৰীতত তীতে কি কৰা পৌলে ইচ্ছা কৰিছিল।

*(উত্তৰ ঃ নগৰে নগৰে কি প্ৰয়োজন আছিল সেইবোৰ সম্পূৰ্ণ কৰিবলৈ তীতে বৃদ্ধলোকক নিযুক্ত কৰিছিল।)*

**২ বংশাৱলী ১৭:৩-৯** পদত চাওঁক - ঈশ্বৰৰ বাক্য শিক্ষা দিবলৈ পঠাই দিয়া উদাহৰণ।

- শিক্ষা নোপোৱা নগৰবোৰত শিক্ষা দিবলৈ যিহোচাফট ৰজাই এদল শিক্ষক গঠন কৰিছিল।
- কোনো এক মধ্যস্থ শিক্ষা অনুষ্ঠানলৈ লোকবিলাকক অনাতকৈ, সেই শিক্ষক সকলে শিক্ষাবোৰ লোকবিলাকে বাস কৰা ঠাইলৈ নিছিল। খ্ৰীষ্টত বিশ্বাসী নতুন মণ্ডলী বঢ়াবলৈ সেই একে প্ৰণালীয়ে আজিও কাম কৰে।
- আজিৰ আধুনিক যুগত নতুন খ্ৰীষ্টিয়ান চলাওঁতাসকলক শিক্ষকে দুই ধৰণে শিক্ষিত কৰেঃ

  ১। ডাঙৰ দলবোৰক পৰম্পৰাগত শ্ৰেণী কোঠাত সবিশেষ কথাবোৰ শিকাই।

  ২। যীচু আৰু তেওঁৰ পাঁচনিবিলাকে কৰাৰ দৰে সযত্নেৰে এটা সৰু দলক সদুপদেশ দি।
- পৰম্পৰাগত শ্ৰেণী কোঠাৰ শিক্ষা পৰিপক্ক পৰিচৰ্য্যাকাৰী আৰু ভালকৈ স্থাপিত মণ্ডলী সমূহৰ বাবে কাৰ্য্যকাৰী হব পাৰে, তেওঁলোকক তৎক্ষণাৎ মনোযোগ দিয়াৰ কোনো প্ৰয়োজন নাই।
- অভিজ্ঞ বিশ্বাসী আৰু চলাওঁতাবিলাক নথকা নতুন মণ্ডলী আৰু গোটবোৰৰ দৰ্কাৰী প্ৰয়োজনবোৰ পূৰ কৰিবলৈ যীচু আৰু পাঁচনিবিলাকে নতুন চলাওঁতাসকলক দিয়া প্ৰশিক্ষণ অতি কাৰ্য্যকৰী হয়।
- নতুন সমাজ (মণ্ডলী) আৰু চলাওঁতাসকলক দৰ্কাৰী প্ৰয়োজন হোৱা নতুনকৈ জন্মা শিশুবিলাকৰ লগত তুলনা কৰিব পাৰি। তেওঁলোকৰ প্ৰয়োজন কি তাক জানি, সেইমতে শিকাবলৈ কোনো এজন অধিক অভিজ্ঞ লোকৰ প্ৰয়োজন।

**২ তীমথিয় ২:২** পদত চাওঁক - পৌলৈ শিকোৱাৰ লগত জড়িত চাৰিটা বিষয়বোৰঃ

১। এই নিৰ্দ্দেশবোৰ **পৌলৈ** লিখিছিল। আন্তিয়খিয়াত থকা মণ্ডলীয়ে তেওঁক পঠাইছিল (পাঁচনিৰ কৰ্ম্ম ১৩: ১-৩)।

২। এই নিৰ্দ্দেশনা পোৱা **তীমথিয়ই** ইফিচত থাকি অন্য লোকক শিকাইছিল (১ তীমথিয় ১:১-৫)।

৩। ইফিচ আৰু ইয়াৰ ওচৰে পাজৰে থকা চহৰৰ **বিশ্বাসী ব্যক্তিসকলে** তীমথিয়ৰ পৰা শিক্ষা পাইছিল।

৪। **অন্য** বিলাককো যেনে হিয়ৰাপলিত ইপাফ্ৰাই শিকাইছিল (কলচীয়া ৪:১২-১৩)।

নতুন গঠন হোৱা বিলাকক ৰাখিবলৈ আমি নতুন নিয়মৰ নিয়মাৱলী পালন কৰোঁঃ

- মণ্ডলীৰ তেওঁলোকৰ জীয়ৰী **মণ্ডলী** আৰম্ভ কৰিবলৈ পাচনি বিলাকক পঠাইছিল। প্ৰত্যেক মণ্ডলীক দিবলৈ ঈশ্বৰে প্ৰতিজ্ঞা কৰা (ইফিচীয়া পঠোৱা ৪:১১-১২) পাঁচনি এইবোৰ।
- ২ তীমথিয় ২:২ পৌলে লিখাৰ দৰে পলম নকৰাকৈ শিষ্যবিলাকে নতুন **শিষ্যবিলাকক** শিকোৱা।

- **প্ৰশিক্ষক** (শিকোৱা সকল)ঃ

  ১। কোনো ভৱিষ্যতৰ সুবিধাৰ নিমিত্তে ৰৈ নাথাকি তেওঁলোকে কি শিকিলে তাকে প্ৰশিক্ষণ প্ৰাৰ্থী সকলক মণ্ডলীত অভ্যাস কৰিবলৈ লোৱা (যাকোব ১:২২, ২ তীমথিয় ২:১৬-১৭)

  ২। মানুহে বিচৰামতে কোনো কথা যোগ নিদিয়াকৈ লোকবিলাকক শিক্ষা দিয়াৰ অৰ্থে বৃদ্ধ লোকৰ প্ৰয়োজন, যিদৰে নতুন নিয়মত বৰ্ণনা দিয়া আছে (তীত ১:৫-৯)

- **প্ৰশিক্ষক ঃ**

  ১। তেওঁলোকৰ প্ৰশিক্ষাৰ্থী সকলৰ লগত কি কৰিবলৈ আঁচনি কৰে তাকে তেওঁলোকৰ দলৰ লগত তৎক্ষণাত কৰক।

  ২।ন ন প্ৰশিক্ষাৰ্থী সকলক শিকাবলৈ তৎক্ষণাৎ আৰম্ভ কৰক, যাতে নে নতুন মণ্ডলীৰ সমাজৰ পুনৰ উদ্ভৱ হোৱা সকলক ৰাখিব পাৰে। নতুন গোট আৰম্ভ কৰিবলৈ কৰ্ম্মকাৰী সকলে নিজৰ জাকক চিৰদিনৰ বাবে এৰি যোৱা প্ৰয়োজন নাই। পাঁচনিকৰ্ম্ম ১৩ আৰু ১৪ অধ্যয়ত লিখা পৌল আৰু বাৰ্ণবাৰ দৰে তেওঁলোকে নিজৰ মণ্ডলী সমাজলৈ উলটি আহিব পাৰে।

২। **সপ্তাহটোত কি কৰিব সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

- আপোনাৰ ওচৰত থকা কোন মণ্ডলীক চলোৱা প্ৰয়োজন, তাক বিচাৰি উলিওৱা। প্ৰত্যেক মণ্ডলীক সমাজক যত্ন লোৱাৰ বাবে তীতে বৃদ্ধ সকলক শিক্ষা দিছিল।
- সেই গোটেইবোৰৰ নিমিত্তে যদি কোনেও নতুন চলাওঁতাক প্ৰশিক্ষণ দিয়া নাই, তেনেহলে কোনে কৰিব সেই কথা প্ৰাৰ্থনাৰে সিদ্ধান্ত কৰা উচিত।
- চলাওঁতাৰূপে প্ৰশিক্ষণ দিব লগা লোকৰ লগত আপুনি কথা-বতৰা পাতক। পৌলৰ দৰে একেলেঠাৰীকৈ প্ৰশিক্ষণ ব্যৱস্থা কৰক, ইয়াৰ দ্বাৰা অনেক যোগাযোগবোৰ হব।
- তেওঁলোকৰ নিজৰ পৰিয়াল ও ওচৰৰ বন্ধুবৰ্গক শিক্ষা দিবলৈ নতুন প্ৰশিক্ষাৰ্থী সকলক সহায় কৰক।

৩। **হব-লগীয়া উপাসনা সময়ৰ বাবে সহ-কৰ্ম্মীসকলৰ লগত কৰিবলগীয়া কাম-কাজৰ আঁচনি কৰক।**

সেই সময়ৰ প্ৰয়োজন আৰু স্থানীয় ৰীতি-নীতিত খাপ খুউৱাকৈ কাম-কাজবোৰ বাচি ল'ব।

যিহোচাফটৰ শিক্ষকসকলৰ **গল্পটো কওঁক**, আৰু ইয়াৰ তলত ইয়াৰ তলৰ তালিকাত দিয়া মূল বিষয়বোৰৰ বৰ্ণনা কৰক।

**বৰ্ণনা কৰক** পৌলৈ তীতক কিয় ক্ৰীতত এৰি থৈ আহিছিল, তীতে কৰাৰ দৰে আপোনাৰ গোটৰ শিক্ষক সকলে কেনেকৈ কৰিব।

২ তীমথিয় ২:২ থকা শিক্ষা দিয়াত জড়িত থকা চাৰিটা কথা সাৰধানে বৰ্ণনা কৰক। আৰু একে ধৰণৰ নতুন উদ্ভৱৰ বাবে কেনেকৈ ঈশ্বৰে আপোনাৰ মণ্ডলীক পালন কৰিব।

সপ্তাহটোত কৰিবলগীয়া কামৰ বিষয়ে জাননী আৰু **ব্যাখ্যা** কৰক।

**বয়সীয়া সকলক সুধিবলগীয়া প্ৰশ্ন** আৰু জনাব খোজা পদ্য, নাটক ল'ৰা-ছোৱালীক কৰিবলৈ দিয়ক।

প্ৰাৰ্থনা কৰিবলৈ, কামৰ আঁচনি সঠিক আৰু পৰস্পৰে উৎসাহ দিবলৈ দুই বা তিনিদিনীয়া **দল গঠন** কৰক।

**প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ** ১ কৰিন্থীয়া ১১:৩৪ পঢ়ক।

**ব্যাখা কৰক** যে যেতিয়া কৰিন্থীয়াবিলাকে প্ৰভুৰ ভোজৰ পালন কৰিছিল, তেওঁলোকৰ নিমিত্তে আত্মিক আহাৰতকৈ, তেওঁলোকে খোৱা দৈনিক আহাৰত কেতিয়াবা বেচিকৈ মনোযোগ দিছিল। এই পবিত্ৰ ভোজনত আমি যীচুৰ উপস্থিতিক অধিক গুৰুত্ব সন্মান দিয়া উচিত।

পৌলৰ দৰে কেনেকৈ বিশ্বাসীসকলক শিক্ষা দিয়া হৈছিল, এনে কোনো সাক্ষ্য থাকিলে, **শুনক।**

একেলগে মুখস্থ কৰক তীত ১:৫ পদ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net